# Startup India International Summit

January 14, 2021

---

# ষ্টাৰ্টআপ ভাৰতি আন্তঃৰাষ্ট্ৰীয় সন্মিলন

জানুৱাৰী 14, 2021

1. উদ্যোগ আৰু অভ্যন্তৰীণ বাণিজ্য বিভাগে (ডি পি আই আই টি) 'প্ৰাৰম্ভ' - ষ্টাৰ্টআপ ভাৰত আন্তঃৰাষ্ট্ৰীয় সন্মিলন আয়োজন কৰিছে ভাৰচ্যুৱেল ধৰণে জানুৱাৰী 5-16, 2021 তাৰিখে। এই সন্মিলনে ষ্টাৰ্টআপ ভাৰত পদক্ষেপৰ মুকলিৰ 5 বছৰ উদযাপন কৰিছে যি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে দেশৰ প্ৰতিটো কোণত উদ্যোগৰ প্ৰতি এক উৎসাহ জগোৱাত। মাননীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীয়ে জানুৱাৰী 15 তাৰিখে সন্মিলনখন উদ্বোধন কৰিব আৰু জানুৱাৰী 16 তাৰিখে মাননীয় প্ৰধান মন্ত্ৰীয়ে প্ৰমুখ অনুষ্ঠানত (সামৰণী অনুষ্ঠান) অংশগ্ৰহণ কৰিব।

2. আশা কৰা হৈছে যে প্ৰাৰম্ভে বিশ্বজোৰী শ্ৰেষ্ঠ নীতি সৃষ্টিকৰ্তা, উদ্যোগ, শিক্ষা, বিনিয়োগ, ষ্টাৰ্টআপ আৰু সকলো আংশীদাৰক একেলগ কৰিব। বিশ্ব বিয়পা শ্ৰেষ্ঠ পৰিৱেশৰ উত্তম নীতি আলোচনাৰ কৰাৰ লগতে, সন্মিলনখনৰ অধিৱেশনসমূহ তৈয়াৰ কৰা হৈছে ভাৰতত উদ্ভাৱন ভিত্তিক উদ্যোগৰ বিস্তাৰ আৰু গভীৰতা প্ৰদৰ্শন কৰিবলৈ। উদ্দেশ্য হৈছে ভাৰতত বিশ্বজোৰা মূলধনৰ দৃষ্টি আকৰ্ষণ কৰা, ঘৰুৱা মূলধন সংহত কৰা, আমাৰ ষ্টাৰ্টআপসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰৱেশৰ সুযোগ দিয়া আৰু নীতি সুবিধা সক্ষম কৰা।চ

3. সন্মিলনখনৰ প্ৰথম দিনটো নিবেদিত কৰা হৈছে বি আই এম এছ টি ই চি ষ্টাৰ্টআপ অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে। এয়া আছিল মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আগষ্ট 2018 চনত কাথমাণ্ডুত ৪থ বি আই এম এছ টি ই চি সন্মিলনত কৰা এক ঘোষণা যাৰ উদ্দেশ্য আছিল অঞ্চলটোৰ উদ্যোগীসকলৰ মাজত সংযোগ উন্নত কৰা। বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল আৰু শ্ৰী লংকাৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়া, থাইলেণ্ডৰ ৰাষ্ট্ৰীয় উদ্ভাৱন এজেন্সিৰ কাৰ্যকৰি পৰিচালক আৰু বি আই এম এছ টি ই চি-ৰ সাধাৰণ সচিবে সন্মিলনখনত নিজৰ অংশগ্ৰহণ নিশ্চিত কৰিছে।

4. সন্মিলনখনৰ দুদিনৰ ভিতৰত নামসূচী আলোচনা হ'ব ষ্টাৰ্টআপ আৰু আন আংশীদাৰৰ অংশগ্ৰহণৰ সৈতে বিভিন্ন বিষয়ৰ ওপৰত। বি আই এম এছ টি ই চি ষ্টাৰ্টআপ অধিৱেশনত, সাতখন নামসূচী আলোচনা হ'ব শ্ৰেষ্ঠ পদ্ধতি বিয়পাই দিয়া, জ্ঞান বিনিময় কৰ্মশালা, বহুপক্ষীয় উন্নায়ক অনুষ্ঠান আৰু সামাজিক উদ্ভাৱনৰ ওপৰত। ১০০তকৈ অধিক ষ্টাৰ্টআপ বি আই এম এছ টি ই চি দেশসমূহৰ পৰা অংশগ্ৰহণ কৰিব ভাৰচ্যুৱেল ষ্টাৰ্টআপ প্ৰদৰ্শনত। বাছনি হোৱা ষ্টাৰ্টআপে, বি আই এম এছ টি ই চি দিশসমূহৰ খিনিকে ধৰি, সুযোগ লাভ কৰিব মাননীয় প্ৰদান মন্ত্ৰীৰ সৈতে ভাৱ বিনিময় কৰাৰ মুখ্য অনুষ্ঠানত।

5. এই ভাৰচ্যুৱেল সন্মিলনে একত্ৰিত কৰিব ২০০তকৈ অধিক মুখ্য বক্তাক বিশ্বজোৰী, আলোচনাৰ সুযোগ প্ৰদান কৰিব প্ৰযুক্তি, উদ্ভাৱন, সবল নীতি, আৰু পদক্ষেপৰ ক্ষেত্ৰত, চৰকাৰ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনসকলক নিজৰ ভাৱ বিনিময় কৰিবলৈ সক্ষম কৰিব আৰু ভাৰতীয় যুৱ উদ্যোগীসকলৰ মনত সেই জুই লগাব, যি তেওঁলোকক অনুপ্ৰেৰিত কৰিব প্ৰয়োজনীয় সমস্যা আৰু প্ৰত্যাহ্বানৰ সমিধান সন্ধান কৰাৰ বাবে, কেৱল ভাৰতৰ বাবে নহয় বৰঞ্চ সমগ্ৰ বিশ্বৰ বাবে।

**নতুন দিল্লী**
**জানুৱাৰী 14, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.